# অসম বিধান সভা

## লিখিত প্ৰশ্ন নং : ১৭০

উত্তৰ দিয়াৰ তাৰিখ – ০৯/০৭/২০২৬

**বিষয়ঃ শিল্প আৰু সৰ্থেবাৰীৰ কুটীৰ শিল্পৰ সংৰক্ষণ, পুনৰুজ্জীৱন বিকাশ সন্দৰ্ভত।** **সদস্যৰ নামঃ শ্ৰী দীপক কুমাৰ দাসঃ**

১৭০ । মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা (SC) সমষ্টিৰ বহৰি অঞ্চলৰ ঐতিহ্যবাহী মৰাপাট উদ্যোগৰ সংৰক্ষণ, পুনৰুজীৱন আৰু বিকাশৰ বাবে চৰকাৰে কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, কেনেধৰণৰ জনাব।

(খ) তাঁতীকুছিক "বৃন্দাবনী বয়ন নগৰী" হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে নেকি ? যদিহে কৰিছে, কেনে ধৰণৰ জনাব।

(গ) কাঁহ-পিতল শিল্পীসকলৰ গঢ়শালাসমূহ আধুনিক প্ৰযুক্তিৰে উন্নীত কৰাৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে, জনাব।

### উত্তৰঃ

মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়াদেৱে উত্তৰ দিবঃ

(ক) বৰপেটা বিধানসভা সমষ্টিৰ বহৰি অঞ্চলত পৰম্পৰাগতভাৱে মৰাপাটৰ খেতি কৰা হৈ আহিছে যদিও বৰ্তমানলৈকে সেই অঞ্চলত মৰাপাটভিত্তিক সামগ্ৰী নিৰ্মাণৰ কোনো উল্লেখযোগ্য উদ্যোগ নাই। যদি কোনো ইচ্ছুক উদ্যোগীয়ে মৰাপাট ভিত্তিক উৎপাদন উদ্যোগ স্থাপন কৰিব খোজে তেন্তে চৰকাৰৰ বিভিন্ন নীতি/ আঁচনিৰ জৰিয়তে সা-সুবিধা লব পাৰে যেনে-

১. প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনি (PMEGP)
২. মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)
৩. অসম উদ্যোগ আৰু বিনিয়োগ নীতি, ২০১৯ (IIPA ২০১৯)
৪. উত্তৰ-পূৰ্বাঞ্চল ৰূপান্তৰমূলক উদ্যোগীকৰণ আঁচনি (UNNATI) ইত্যাদি ।

(খ) উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ হাতত কোনো তথ্য নাই কিন্তু হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ পৰা পোৱা তথ্য অনুসৰি তাঁতীকুছিক "বৃন্দাবনী বয়ন নগৰী" হিচাপে গঢ়ি তোলাৰ বাবে বৰ্তমানলৈকে কোনো বিশেষ পৰিকল্পনা গ্ৰহণ কৰা নাই। তথাপিও তাঁতীকুছি বা বৰ্তমানৰ বৰপেটা নগৰীক 'বয়ন নগৰী' হিচাপে গঢ়ি তোলাৰ লগতে বৰপেটাক কেন্দ্ৰ কৰি এই অঞ্চলৰ শিপিনীসকলৰ উন্নয়নাৰ্থে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত মুখ্যমন্ত্ৰী মহোদয়ৰ ধ্বজাবাহী আঁচনি 'স্বনিৰ্ভৰ নাৰী' অধীনত বৰপেটা নগৰ এলেকাৰ ৬৪০ গৰাকী শিপিনীৰ পঞ্জীয়ন কৰা হৈছে। ৪৫ গৰাকী শিপিনীয়ে অসম চৰকাৰৰ থলুৱা শিপিনীৰ উৎপাদিত কাপোৰ ক্ৰয় কৰা প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে তেওঁলোকে প্ৰায় ১৯,৮০,০০০/- টকা পাবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ৫২ গৰাকী শিপিনীক চৰকাৰে আধুনিক তাঁতশাল আৰু সঁজুলি যোগান ধৰিছে। বৰপেটা এলেকাৰ প্ৰায় ৯৪ গৰাকী শিপিনীৰ পৰা ভৌগোলিক সূচাংক (GI Tag) ৰ পঞ্জীয়নৰ বাবে আবেদন সংগ্ৰহ কৰা হৈছে।

(গ) সাৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পৰ সংৰক্ষণ তথা শিল্পীসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ উদ্দেশ্যে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে, যেনে-

১. ২০১৮-১৯ বিত্তীয় বৰ্ষত মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি (MMTUBA) আঁচনিৰ অধীনত Bell Metal Artisans & Trading Co-operative Society Ltd., Sarthebari-ক অনুদান হিচাপে ১.০০ কোটি টকা প্ৰদান কৰা হৈছিল।

২. ২০১৯-২০ বিত্তীয় বৰ্ষত ২৫৪ জন কাঁহ-পিতল শিল্পীৰ বেংকৰ বকেয়া ঋণ মাফ কৰাৰ উদ্দেশ্যে ৪.২৭ কোটি টকা আৰ্থিক অনুদান প্ৰদান কৰা হৈছিল।

৩. ২০২৬-২৭ বিত্তীয় বৰ্ষত উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে সাৰ্থেবাৰীৰ সামগ্ৰিক উন্নয়নৰ বাবে কাঁহ শিল্পৰ এক আদৰ্শ গাওঁ গঢ়ি তোলাৰ পৰিকল্পনা কৰিছে । ইয়াৰ বাবে অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগম (AIIDC) ক দায়িত্ব প্ৰদান কৰা হৈছে ।

ইয়াৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ জৰিয়তে ৩২ জন শিল্পীয়ে ইতিমধ্যে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা পৰিচয় পত্ৰ লাভ কৰিছে। ইয়াৰে ২৬ জন শিল্পীয়ে উন্নত সঁজুলি লাভ কৰিছে আৰু ৬ জন শিল্পীয়ে বেংকৰ পৰা ১.০০ লাখ টকাকৈ ঋণ লাভ কৰিছে। তদুপৰি, প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা পৰিচয় পত্ৰ লাভ কৰা ৩২ জন শিল্পীক Indian Institute of Packaging (IIP), Delhi-ৰ জৰিয়তে বৰপেটাত পেকেজিং উন্নয়ন (Packaging Development) বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**********